# মেচাৰ্চ ৰাষ্ট্ৰীয় বীমা কোম্পানী লিমিটেড
বনাম
শ্ৰীমতী জিকুভাই নাথুজী দাভি আৰু অন্যান্য

২০নৱেম্বৰ, ১৯৯৬

[ন্যায়াধীশ কে. ৰামস্বামী, ন্যায়াধীশ জি. টি. নানাৱতী আৰু ন্যায়াধীশ কে. ভেঙ্কটস্বামী]

*বীমাঃ*

*ইনচুৰেন্স পলিচী(বীমা চুক্তিপত্ৰ) - মটৰ বাহনৰ বীমা- ৰিনিৱেল প্ৰিমিয়াম(বীমাৰ নৱীকৰণ কিস্তি)- নৱীকৰণৰ তাৰিখৰ ভিতৰত পৰিশোধ কৰা নহয়- প্ৰভাৱ- নৱীকৰণৰ প্ৰিমিয়াম ১৪.১০.১৯৮৩তাৰিখত পৰিশোধ কৰা হ'ব- ২৫.১০.১৯৮৩তাৰিখে সন্ধিয়া ৪বজাত প্ৰিমিয়াম পৰিশোধ কৰা হ'ব- ১৪.১০.১৯৮৩ৰ পৰা ২৫.১০.১৯৮৩ৰ সন্ধিয়া৪বজালৈকে বীমা পলিচী স্থগিত ৰখা হৈছিল- নৱীকৰণৰ চুক্তি ২৫.১০.১৯৮৩ৰ ৪বজাত বলৱৎ হয়- বীমা কোম্পানীৰ দায়বদ্ধতা- উপস্থাপন কৰে যে- ২৫.১০.১৯৮৩ৰ সন্ধিয়া৪বজাত পৰা কাৰ্যকৰী বীমা পলিচিত উল্লেখ কৰা বিশেষ চুক্তিৰ প্ৰতি লক্ষ্য ৰাখি অনুষ্ঠিত বীমা কোম্পানীৰ কাৰ্য্যকৰীতা, কভাৰেজে (বীমাৰ নিৰাপত্তা) দাবীদাৰক বীমা কোম্পানীৰ পৰা ধনৰাশি উদ্ধাৰ কৰিবলৈ সক্ষম নকৰে- দাবীদাৰৰ বাহনখনৰ গৰাকীৰ বিৰুদ্ধে যিকোনো দাবী কৰাৰ স্বাধীনতা আছে।*

*নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী বনাম ৰাম দয়াল,* [১৯৯০]২ এছ. চি. আৰ. ৫৭০- উল্লেখিত।

দেৱানী আবেদনৰ বিচাৰঃ ১৯৯১চনৰ ২৬৭১নং দেৱানী আপীল।

১৯৮৯চনৰ এফ. এ. নং ১৩৬৬ত গুজৰাট উচ্চ ন্যায়ালয়ৰ ২০.১২.৮৯তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আবেদনকাৰীৰ পক্ষত জিতেন্দ্ৰ শৰ্মা, শ্ৰীমতী গুনৱত দাৰা, শ্ৰীমতী মীনাক্ষী ভিজ পি. গৌৰ।

চি. এ. ২৬৭১/৯১নংত উত্তৰদাতাৰ পক্ষত এইচ. এ. ৰাইচুৰা।

আদালতৰ নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

বিশেষ ছুটী মঞ্জুৰীৰ এই আপীল আবেদনখন বিতৰ্কত বীমা পলিচী কাৰ্যকৰীকৰণ সময়ত দুৰ্ঘটনাটো সংঘটিত হৈছিল নে নাই সেই প্ৰশ্নৰ সৈতে সংযুক্ত হৈ আছে। স্বীকাৰ কৰা স্থিতিটো হ'ল এইয়ে যে, বীমাৰ নৱীকৰণ তলত দিয়া ধৰণে প্ৰভাৱিত হৈছিলঃ

> "*ঠিকনাঃ জল এপাৰ্টমেণ্ট,.......পি.ডি. ভিলে পাৰ্লে (এন.) বোম্বাই ৫।*
>
> ইয়াৰ দ্বাৰা এইকথা বুজা পোৱা যায় লগতে সন্মতি প্ৰকাশ কৰা হয় যে, ১৩০৭টকাৰ বীমাৰ নৱীকৰণ কিস্তি কেৱল এই চুক্তিপত্ৰৰ অধীনত ২৫.১০.১৯৮৩ত পৰিশোধ কৰা হৈছে, কিন্তু ১৪.১০.১৯৮৩ৰ নৱীকৰণৰ তাৰিখৰ ভিতৰত নহয়,

যিহেতু এই চুক্তিপত্ৰৰ দ্বাৰা বীমা ১৪.১০.১৯৮৩ (সন্ধিয়া ৪বজাৰ) পৰা ২৪.১০.১৯৮৩লৈ স্থগিত কৰা হৈছে।

ইয়াৰ উপৰিও, এইটো ঘোষণা কৰা হৈছে আৰু সন্মতি প্ৰদান কৰা হৈছে যে, এই নীতিৰ অধীনত বীমা কভাৰেজে(বীমাৰ নিৰাপত্তা)ৰ পুনৰ স্থাপন কৰা হৈছে আৰু ১২মাহৰ বাবে ২৫.১০.১৯৮৩ৰ পৰা ২৪.১০.১৯৮৪ লৈ- ১৩০৭টকাৰ বীমাৰ কিস্তিত নৱীকৰণ কৰা হৈছে।"

ন্যায়াধিকৰণে এইটোও লিপিবদ্ধ কৰিছিল যে, ১৯৮৩চনৰ ২৫অক্টোবৰৰ সন্ধিয়া ৪বজাত নৱীকৰণৰ চুক্তি কাৰ্যকৰী হৈছিল আৰু ই ১৯৮৪চনৰ ২৪অক্টোবৰলৈকে কাৰ্যকৰী হৈ থাকিব। তাৰোপৰি, দুৰ্ঘটনাটো ২৫অক্টোবৰ, ১৯৮৩তাৰিখে পুৱা১১.১৪ বজাত অৰ্থাৎ চুক্তি নৱীকৰণৰ পূৰ্বে সংঘটিত হৈছিল। এনেপৰিস্থিতিত এইকথা স্পষ্ট হ'ব যে, নৱীকৰণ কাৰ্যকৰী নোহোৱাৰ সময়তে দুৰ্ঘটনাটো সংঘটিত হৈছিল।

*নিউ ইণ্ডিয়া এচুৰেন্স কোম্পানী বনাম ৰাম দয়াল,* [১৯৯০] ২ এছ. চি. আৰ. ৫৭০গোচৰত এই আদালতে ৰায় দিছিল যে, সেই বিষয়ত কোনো নিৰ্দিষ্ট সময়ৰ উল্লেখ নথকাত, চুক্তিখন সাধাৰণ দফা আইনৰ কাৰ্যকৰীকৰণৰ দ্বাৰা মাজনিশাৰ পৰা কাৰ্যকৰী হ'ব। কিন্তু বীমা চুক্তিত উল্লেখ কৰা বিশেষ চুক্তিৰ পৰিপ্ৰেক্ষিতত, অৰ্থাৎ ১৯৮৩চনৰ ২৫অক্টোবৰৰ সন্ধিয়া ৪বজাৰ পৰা কাৰ্যকৰী হ'ব আৰু পূৰ্বে দুৰ্ঘটনাটো সংঘটিত হোৱাত বীমা

কভাৰেজে(বীমাৰ নিৰাপত্তা) অধিকাৰ নিদিব- দাবীদাৰে আপীলকাৰী-কোম্পানীৰ পৰা পৰিমাণটো উদ্ধাৰ কৰিবলৈ।

সেই অনুসৰি কেৱল ওপৰৰ পৰিমাণলৈকেহে আবেদনৰ অনুমতি দিয়া হয়। মালিকৰ বিৰুদ্ধে কৰা যিকোনো দাবীৰ ক্ষেত্ৰত, উত্তৰদাতাৰ

পুনৰুদ্ধাৰ কৰাৰ স্বাধীনতা আছে। খৰচ অবিহনে।

আৰ. পি.

আপীলৰ অনুমতি।

..........................................

............................

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ

ক্ষেত্রতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ'ব।"

. . . . . . . . . . . . . . . . . . . . .